# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 12-05-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN
## HEADLINES
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীৰ বাসভৱনত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়।

২। অসমত পঞ্চায়ত নিৰ্বাচনত কেইবাখনো জিলাত ভাৰতীয় জনতা পাৰ্টিয়ে বৃহৎ জয়লাভ সাব্যস্ত কৰিছে।

৩। বিজেপিয়ে আজি কয়, যে অপাৰেচন সিন্দূৰৰ জৰিয়তে ভাৰতে বিশ্বক সন্ত্ৰাসবাদৰ বিৰুদ্ধে চলি থকা যুঁজৰ এটা স্পষ্ট বাৰ্তা দিলে।

৪। বেলুচ লিবাৰেচন আৰ্মী- বি এল এ-ই বেলুচিস্তানৰ ৫১ খনৰো অধিক স্থানত সংঘটিত ৭১টা আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে।

৫। ভাৰত আৰু পাকিস্তানৰ মাজত সংঘৰ্ষ বিৰতিৰ পাছত পূৰ্বে সাময়িকভাৱে বন্ধ ৰখা ৩২টা বিমানবন্দৰ পুনৰ মুকলি কৰা হৈছে। ***আৰু***

৬। ভাৰতৰ জনপ্ৰিয় ক্ৰিকেটাৰ বিৰাট কোহলীয়ে ১৪ বছৰীয়া যাত্ৰাত যতি পেলাই টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি নতুন দিল্লীৰ বাসভৱনত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভাল, চীফ অপ ডিফেন্স ষ্টাফ অনিল চৌহানৰ লগতে সেনাবাহিনীৰ তিনিওটা শাখাৰ মুৰব্বীসকল উপস্থিত থাকে।

০০০০০০

অসমত পঞ্চায়ত নিৰ্বাচনত কেইবাখনো জিলাত ভাৰতীয় জনতা পাৰ্টিয়ে বৃহৎ জয়লাভ সাব্যস্ত কৰিছে। নিৰ্বাচনৰ ভোটগণনা কালিৰে পৰা চলি আছে যদিও কেইবাখনো জিলাৰ ফলাফল চৰকাৰীভাৱে ঘোষণা কৰা হোৱা নাই। অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰাজ্যখনৰ প্ৰায় সকলো জিলাতে ভোটগণনাত বিজেপি আৰু ইয়াৰ সহযোগী দলসমূহে শক্তিশালী অগ্ৰগতি লাভ কৰি আছে।

ৰাজ্যখনত ২ মে' আৰু ৭ মে'ত ২৭ খন জিলাত দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হৈছিল। কালি পুৱা ৮ বজাৰ পৰা দুয়োটা পৰ্যায়ৰ ভোটগণনা কৰা হয় আৰু আজি সন্ধিয়ালৈকে গণনা অব্যাহত থকাৰ সম্ভাৱনা আছে। মুঠ ২১ হাজাৰ ৯২০ গাঁও পঞ্চায়ত সদস্য, ২ হাজাৰ ১৯২ আঞ্চলিক পঞ্চায়ত সদস্য আৰু ৩৯৭ খন জিলা পৰিষদৰ সদস্যৰ বাবে নিৰ্বাচন অনুষ্ঠিত হৈছিল। নিৰ্বাচনত ৯০ লাখ ৭১ হাজাৰ ২৬৪ জন পুৰুষ, ৮৯ লাখ ৬৫ হাজাৰ ১০ গৰাকী মহিলা আৰু ৪০৮ গৰাকী অন্যান্য ভোটদাতাসহ এক কোটি ৮০ লাখ ৩৬ হাজাৰ ৬৮২ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। এইবাৰৰ নিৰ্বাচনত ৭৪ দশমিক ৭-১ শতাংশ ভোটদান সম্পন্ন হয়।

০০০০০০

বিজেপিয়ে আজি কয়, যে অপাৰেচন সিন্দূৰৰ জৰিয়তে ভাৰতে বিশ্বক সন্ত্ৰাসবাদৰ বিৰুদ্ধে চলি থকা যুঁজৰ এটা স্পষ্ট বাৰ্তা দিলে। নতুন দিল্লীত দলৰ মুখ্য কাৰ্যালয়ত আয়োজিত সংবাদমেলত দলটোৰ মুখপাত্ৰ সম্বিত পাত্ৰই কয়, যে পাকিস্তান আৰু দেশখনে চলাই থকা সন্ত্ৰাসবাদক বিশ্বৰ সন্মুখত উন্মোচন কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰত্যক্ষভাৱে ২০ খন দেশৰ নেতৃবৰ্গৰ সৈতে কথা পাতে। চৌদি আৰব, সংযুক্ত আৰব আমিৰশ্বাহীকে ধৰি বহুকেইখন ইছলামিক দেশে এইক্ষেত্ৰত ভাৰতৰ প্ৰতি সমৰ্থন ব্যক্ত কৰে বুলি শ্ৰীপাত্ৰই উল্লেখ কৰে। তেওঁ কয়, যে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে ২৬ গৰাকী লোকৰ হত্যাৰ ভাৰতে প্ৰতিশোধ ল'ব বুলি প্ৰতিশ্ৰুতি দিছিল। অপাৰেচন সিন্দূৰ সফল কৰি তোলাৰ ক্ষেত্ৰত ভাৰতীয় সেনাবাহিনীয়ে অদমনীয় বীৰত্বৰ পৰিচয় দিয়া বুলি প্ৰকাশ কৰি শ্ৰীপাত্ৰই কয়, যে এইক্ষেত্ৰত ভাৰতীয় স্থলসেনা, বায়ুসেনা আৰু নৌসেনাক দেশৰ প্ৰতিগৰাকী নাগৰিকে কৃতজ্ঞতা জনাইছে। ভাৰতে অপাৰেচন সিন্দূৰ অভিযানত পাকিস্তানত থকা সন্ত্ৰাসবাদীৰ ৯টা ঘাটি ধ্বংস কৰে বুলিও বিজেপি নেতাগৰাকীয়ে প্ৰকাশ কৰে।

তেওঁ কয়, যে প্ৰথমবাৰৰ বাবে ভাৰতে পাকিস্তানৰ অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত পঞ্জাব প্ৰদেশত আক্ৰমণ চলাই সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদীৰ শিবিৰসমূহ ধ্বংস কৰে। এই সেনা অভিযানে তাৎপৰ্যপূৰ্ণ সাফল্য লাভ কৰা বুলি উল্লেখ কৰি শ্ৰীপাত্ৰই কয়, যে ভাৰতীয় সেনাই লস্কৰ-ই-তৈবা, জইচ-ই-মহম্মদ আৰু হিজবুল মুজাহিদিনৰ দৰে কুখ্যাত সন্ত্ৰাসবাদী সংগঠনৰ ঘাটি ধ্বংস কৰিবলৈ সমৰ্থ হয়। অপাৰেচন সিন্দূৰ সামৰিক আৰু অসামৰিক দুয়োটা পৰ্যায়তে চলা বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীপাত্ৰই কয়, যে অসামৰিক কৌশলৰ অংশ হিচাপে ১৯৬০ চনত সম্পাদিত সিন্ধু জলচুক্তি ভাৰতে বাতিল কৰে। তেওঁ কয়, যে এই চুক্তি বাতিলৰ ফলত পাকিস্তান ব্যাপক লোকচানৰ সন্মুখীন হ'ব, কাৰণ এই উৎসৰ পৰাই দেশখনৰ ৮০ শতাংশ কৃষিভূমি উপকৃত হৈ আহিছিল।

০০০০০০

বেলুচ লিবাৰেচন আৰ্মী- বি এল এ-ই বেলুচিস্তানৰ ৫১ খনৰো অধিক স্থানত সংঘটিত ৭১টা আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। এটা বিবৃতিত বিদ্ৰোহী গোটটোয়ে কয়, যে পাকিস্তান কেৱল বিশ্ব সন্ত্ৰাসবাদৰ পৃষ্ঠভূমিয়ে নহয়, বৰং লস্কৰ-ই-তৈবা, জইচ-ই-মহম্মদ আৰু আইছিছৰ দৰে নৃশংস সন্ত্ৰাসবাদী সংগঠনৰ চৰকাৰী পৃষ্ঠপোষক হিচাপে চিহ্নিত হৈছে। বিএলএ-ৰ বিবৃতিটোত শেহতীয়া ঘটনাৱলীক বেলুচিস্তানৰ স্বাধীনতাৰ বাবে চলি থকা দীৰ্ঘদিনীয়া সংগ্ৰামৰ অংশ হিচাপে উল্লেখ কৰা হয়।

০০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজত সংঘৰ্ষ বিৰতিৰ পাছত পূৰ্বে সাময়িকভাৱে বন্ধ ৰখা ৩২টা বিমানবন্দৰ পুনৰ মুকলি কৰা হৈছে। এটা বিবৃতিত ভাৰতীয় বিমানবন্দৰ প্ৰাধিকাৰীয়ে আজি এই কথা ঘোষণা কৰে। পেহেলগামৰ ঘটনাৰ পাছত চুবুৰীয়া দেশ দুখনৰ মাজত বাঢ়ি অহা উত্তেজনাৰ পৰিপ্ৰেক্ষিতত এই বিমানবন্দৰকেইটা ১৫ মে' পৰ্যন্ত বন্ধ ৰখাৰ কথা ঘোষণা কৰা হৈছিল। বিবৃতিটোত লগতে কোৱা হয় যে যাত্ৰীসকলে বিমান সেৱাৰ বিষয়ে যাৱতীয় তথ্য লাভৰ বাবে এয়াৰলাইন্স ৱেবছাইটৰ সৈতে যোগাযোগ কৰিব পাৰিব।

০০০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে বিশেষকৈ দক্ষিণ-পূব এছিয়া আৰু অসমতো আজি বুদ্ধ পূৰ্ণিমা উদযাপন কৰা হৈছে। গৌতম বুদ্ধৰ জন্মৰ দিনটোৰ লগতে বুদ্ধগয়াত মহাবোধি বৃক্ষৰ তলত তেওঁ পৰিনিৰ্বাণ লাভ কৰা দিন উপলক্ষে আজি বুদ্ধ পূৰ্ণিমা পালন কৰা হয়। সমগ্ৰ বিশ্বৰ বৌদ্ধ আৰু হিন্দু ধৰ্মাৱলম্বী লোকসকলে এই দিনটো উদযাপন কৰাৰ লগতে ভাৰত, নেপাল, ভূটান, বাৰ্মা, থাইলেণ্ড, তিব্বত, কোৰিয়া, লাওছ, ভিয়েটনাম, মংগোলিয়া, কম্বোডিয়া, ছিংগাপুৰ, ইণ্ডোনেছিয়া আৰু শ্ৰীলংকাৰ দৰে দেশসমূহত মহা আড়ম্বৰেৰে এই দিৱস উদযাপন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গৌতম বুদ্ধৰ সমূহ অনুগামীলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰেও আটাইলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জনাইছে। ভগৱান বুদ্ধৰ অহিংসা তথা দয়াৰ বাৰ্তা আজিৰ সময়ত সমাজ তথা মানৱতাৰ বাবে পূৰ্বতকৈ অধিক প্ৰাসংগিক বুলি তেওঁ মত প্ৰকাশ কৰে।

০০০০০০

আধুনিক ধাত্ৰী বিদ্যাৰ প্ৰতিষ্ঠাপক ফ্ল'ৰেন্স নাইটিংগেলৰ জন্মবাৰ্ষিকী উপলক্ষে আজি সমগ্ৰ বিশ্বতে আন্তঃৰাষ্ট্ৰীয় নাৰ্ছ দিৱস পালন কৰা হৈছে। এই দিৱস উপলক্ষে কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই কয়, যে নাৰ্ছসকলৰ কল্যাণৰ লগত দেশৰ স্বাস্থ্য ব্যৱস্থা আৰু ৰাষ্ট্ৰীয় বিকাশৰ বিষয়টো পোনপটীয়া সম্পৰ্ক আছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয়, যে নাৰ্ছৰ ক্ষেত্ৰত বিনিয়োগ কৰা মানে, এখন স্বাস্থ্যসন্মত সমাজ, উৎপাদনক্ষম জাতি আৰু এটা সুন্দৰ ভৱিষ্যতৰ বাবে ধন বিনিয়োগ কৰাৰ সমান। তেওঁ নাৰ্ছসকলৰ দৃঢ়তা, প্ৰতিশ্ৰুতি আৰু সেৱাৰ মনোভাৱৰ বাবে শ্ৰদ্ধা জ্ঞাপন কৰে। শ্ৰীনাড্ডাই আনৰ জীৱন ৰক্ষা কৰা নাৰ্ছসকলৰ জীৱনৰ মূল্য, নিৰাপত্তা আৰু সবলীকৰণৰ বাবে প্ৰচেষ্টা চলাবলৈ আহ্বান জনাইছে।

০০০০০০

ভাৰতৰ জনপ্ৰিয় ক্ৰিকেটাৰ বিৰাট কোহলীয়ে ১৪ বছৰীয়া যাত্ৰাত যতি পেলাই টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে। সাম্প্ৰতিক ক্ৰিকেট বিশ্বৰ অন্যতম মহান খেলুৱৈ হিচাপে পৰিচিত কোহলীয়ে সামাজিক মাধ্যমত তেওঁৰ অনুগামীসকলৰ বাবে এই বাৰ্তা প্ৰকাশ কৰিছে। তেওঁৰ এই ঘোষণাই স্বাভাৱিকতে ভাৰতীয় টেষ্ট ক্ৰিকেটৰ এটা যুগৰ অন্ত পেলাব।

বিৰাট কোহলীয়ে খেলুৱৈ জীৱনত ১২৩ খন টেষ্ট মেচত গড়ে ৪৬ দশমিক ৮-৫ ৰানেৰে মুঠ ৯ হাজাৰ ২৩০ ৰান সংগ্ৰহ কৰিছে। নিজৰ ১৪ বছৰজোৰা টেষ্ট কেৰিয়াৰত কোহলী শচীন তেণ্ডুলকাৰ, ৰাহুল দ্ৰাবিড় আৰু সুনীল গাভাস্কাৰৰ পাছত ভাৰতৰ চতুৰ্থজন সৰ্বাধিক ৰান সংগ্ৰহকাৰী হিচাপে পৰিগণিত হৈছে। ভাৰতীয় দলৰ প্ৰাক্তন অধিনায়ক কোহলীয়ে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ২০১১ চনত টেষ্ট মেচত আত্মপ্ৰকাশ কৰিছিল। তেওঁ অধিনায়ক হিচাপে ভাৰতীয় দলক ৬৮ খন টেষ্টত নেতৃত্ব দিছিল আৰু ইয়াৰে মাত্ৰ ১৭ খনতহে ভাৰত পৰাজিত হৈছিল। তেওঁৰ নেতৃত্বত ৪০ খন টেষ্টত ভাৰত জয়ী হৈছিল আৰু ১১ টেষ্ট ড্ৰ হৈছিল। সেই অনুসৰি তেওঁৰ জয়ৰ শতাংশ হৈছে ৫৮ দশমিক ৮-২। কোহলীৰ নেতৃত্বতে ২০19 চনত ভাৰত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে প্ৰথমবাৰৰ বাবে কোনো এটা টেষ্ট শৃংখলাত বিজয়ী হৈছিল। খেলুৱৈগৰাকীয়ে চলিত বছৰৰ প্ৰথম ভাগতে অষ্ট্ৰেলিয়াত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীত তেওঁৰ অন্তিমখন টেষ্ট মেচত অংশগ্ৰহণ কৰিছিল। এই খেলখনত আয়োজক অষ্ট্ৰেলিয়া ৬ উইকেটত বিজয়ী হৈছিল আৰু ৩-১ৰ ব্যৱধানত

শৃংখলা হস্তগত কৰিছিল। বিৰাট কোহলীয়ে যোৱা বছৰ টি-২০ বিশ্বকাপত ভাৰত বিজয়ী হোৱাৰ পাছতে টি-২০ৰ আন্তৰ্জাতিক খেলৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল।

ৰোহিত শৰ্মাই টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ কেইদিনমানৰ পাছতে কোহলীয়েও টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰৰ কথা ঘোষণা কৰে।

oooooo

**সমাপ্ত**